# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-06-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

গুজৰাট সন্ত্ৰাসবাদ বিৰোধী স্কোৱাড, এ টি এছ্‌ৰ দলে আহমেদাবাদৰ বিমান দুৰ্ঘটনা সংঘটিত হোৱা স্থানৰ পৰা এটা ডিজিটেল ভিডিঅ' ৰেকৰ্ডাৰ আজি উদ্ধাৰ কৰে। বিমান কৰ্তৃপক্ষই এতিয়ালৈকে দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ ব্লেকবক্স উদ্ধাৰ কৰা সন্দৰ্ভত কোনো ধৰণৰ আনুষ্ঠানিক ঘোষণা কৰা নাই। সম্প্ৰতি এই দুৰ্ঘটনাৰ তদন্ত অব্যাহত আছে আৰু নিৰাপত্তা সংস্থাসমূহে সেই স্থানত সক্ৰিয়ভাৱে অভিযান চলাই আছে। তদন্তত সহায়ৰ বাবে ফৰেন্সিক বিশেষজ্ঞৰ এটা দলেও সহযোগ কৰিছে। আহত লোকসকলৰ জীৱন বচোৱাৰ আশাৰে বহু সংখ্যক লোকে অসামৰিক চিকিৎসালয়ত ৰক্তদান কৰিবলৈ অহাৰ কথা আহমেদাবাদৰ আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰিছে। সেনা বাহিনীয়ে আহমেদাবাদৰ সামৰিক কেণ্টনমেণ্টত ৰক্তদান শিবিৰৰ আয়োজন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা আহমেদাবাদৰ অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত আহত লোকসকলৰ অৱস্থাৰ বুজ লয়। প্ৰধানমন্ত্ৰীয়ে বিমান দুৰ্ঘটনাটোত প্ৰাণ ৰক্ষা পৰা একমাত্ৰ ব্যক্তি ভাৰতীয় মূলৰ ব্ৰিটিছ্ নাগৰিক বিশ্বাস কুমাৰ ৰমেশকো স্থানীয় এখন চিকিৎসালয়ত সাক্ষাৎ কৰে। শ্ৰী ৰমেশে পাছত তেওঁৰ প্ৰাণৰক্ষা পৰা সেই শ্বাসৰুদ্ধকৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰে। শ্ৰী মোদীয়ে বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱা স্থানো পৰিদৰ্শন কৰে। তেওঁ কালিৰ বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ পৰিয়ালকো সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰি প্ৰত্যাহ্বানপূৰ্ণ সময়ত শ্ৰী ৰূপানীৰ সৈতে একেলগে কাম কৰাৰ কথা উল্লেখ কৰে। শ্ৰী মোদীয়ে আজি আহমেদাবাদত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰা মতে চিনাক্ত হোৱা মৃতদেহসমূহ মৰনোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছত পৰিয়ালক গতাই দিয়া কাম আৰম্ভ কৰা হৈছে। বৰ্তমানলৈ ছটা মৃতদেহ পৰিয়ালৰ সদস্যক গতাই দিয়া হৈছে।

উল্লেখযোগ্য যে, এয়াৰ ইণ্ডিয়াৰ বয়িং 787-8 শ্ৰেণীৰ বিমানখন কালি দুৰ্ঘটনাত পতিত হোৱাৰ ফলত চালক দলৰ সদস্যকে ধৰি ২৪১ গৰাকী আৰোহীয়ে প্ৰাণ হেৰুৱায়। আহমেদাবাদ বিমান বন্দৰৰ পৰা লণ্ডন অভিমুখে উৰা মৰাৰ ঠিক পাছতেই আহমেদাবাদৰ বি-জে মেডিকেল কলেজৰ কাষৰীয়া আবাসিক এলেকাত বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত বিভিন্ন উন্নয়নমূলক কামকাজ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। তেওঁ লগতে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চিঁটী

হাস্পতালৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি পুৰনি চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। ড০ শৰ্মাই দেওবাৰে দিহিং খামতিঘাটতো এখন ৰাজহুৱা সভাত ভাগ ল'ব। দুদিনীয়া ডিব্ৰুগড় ভ্ৰমণকালত মুখ্যমন্ত্ৰীগৰাকীয়ে ধেমাজিৰ চিচিবৰগাঁও, মাজুলী, মাহমৰাকে ধৰি কেইবাটাও বিধানসভা সমষ্টিৰ উন্নয়নমূলক কামকাজৰ পৰ্যালোচনা কৰিব।

০০০০০

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যান বিভাগৰ উদ্যোগত যোৰহাটৰ এটা সংঘত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ১০ লাখ টকা মূল্যৰ ক্ৰীড়া সামগ্ৰী বিতৰণ কৰে। সমষ্টি পৰ্যায়ৰ বিত্তীয় অনুদান আঁচনিৰ অধীনত অসমৰ সকলো বিধানসভা সমষ্টি সামৰি ১২৬ টা অগ্ৰণী যুৱক সংঘ বা ক্ৰীড়া সন্থালৈ বিভিন্ন ক্ৰীড়া সামগ্ৰী যোগান ধৰাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপৰ অংশ হিচাপে যোৰহাটৰ ঘৰফলিয়া গাওঁৰ ৰমাকান্ত সমাজ কল্যাণ সংঘত আজি ক্ৰীড়া সামগ্ৰীসমূহ বিতৰণ কৰা হয়।

০০০০০

জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই আজি তিনিচুকীয়াৰ বান আৰু খহনীয়া পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বালিজান, লোহিত আৰু নোৱাদিহিং নদীৰ বান আৰু খহনীয়া সমস্যাৰ বুজ লৈ বালিজান নৈৰ মথাউৰি নিৰ্মাণৰ বাবে বিভিন্ন দিশসমূহ পৰ্যবেক্ষণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে জলসম্পদ বিভাগৰ ডিব্ৰুগড় সংমণ্ডলৰ অধীনত শদিয়াৰ উদয়পুৰ দেউৰী গাঁৱত বালিজান নৈত ৩ কোটি ৫০ লাখ টকা ব্যয় সাপেক্ষে খহনীয়া প্ৰতিৰোধী প্ৰকল্পৰ কাম কৰা হৈছিল। এই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীক শদিয়াৰ বিধায়ক বলিন চেতিয়াই সংগ দিয়ে।

০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ চৌহদত যোৱা ১১ জুনৰ পৰা আৰম্ভ হোৱা পুলিবাগান, গছৰোপণ প্ৰযুক্তি আৰু কৃষি বনানীকৰণৰ তিনিদিনীয়া দক্ষতা বিকাশ প্ৰশিক্ষণৰ আজি সামৰণি পৰে। অসম কৃষি বনানীকৰণ উন্নয়ন বোৰ্ডৰ পৃষ্ঠপোষকতাত আৰু প্ৰতিষ্ঠানৰ জ্যেষ্ঠ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত গোলাঘাটৰ মেৰাপানী অঞ্চলৰ ২০ জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। প্ৰতিষ্ঠানৰ গৱেষণা সমন্বয়ক ডং ৰাজীৱ কুমাৰ বৰাই এই প্ৰশিক্ষণ কাৰ্যসূচী প্ৰদান কৰে। ডং ৰাজীৱ কুমাৰ বৰাই সাচিগছ আৰু ইয়াৰ গুৰুত্ব, ৰোপন আৰু ব্যৱস্থা, কৃত্ৰিম পদ্ধতিৰে ভেকুৰ প্ৰক্ষেপন আদি বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰে। দ্বিতীয় দিনৰ কাৰ্যসূচীত বীজ সংগ্ৰহ, অংকুৰণ, সুপ্তাৱস্থা, জীৱন ধাৰণ ক্ষমতা আৰু সংৰক্ষণ আদি বিষয়সমূহ সামৰি ডং মিতালী মেহতাই আলোচনা আগবঢ়ায়। প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত প্ৰতিষ্ঠানৰ সঞ্চালক ডং নীতিন কুলকাৰ্ণি অংশগ্ৰহণকাৰীসকলৰ মাজত প্ৰমাণপত্ৰ বিতৰণ কৰে।

০০০০০

যোৰহাটৰ প্ৰবীন সাংস্কৃতিক কৰ্মী গীতিকাৰ, সুৰকাৰ জাহেদ হাজৰিকাৰ আজি পুৱা যোৰহাটৰ মহাত্মা গান্ধী পথৰ নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৩ বছৰ।

০০০০০

গোলাঘাটৰ বেতিয়নি নৰাকোঁৱৰ গাওঁৰ প্ৰবীন নাগৰিক, অৱসৰী শিক্ষক প্ৰদীপ বৰঠাকুৰৰ আজি যোৰহাটৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ।

০০০০০

সমাপ্ত